# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Time :** 19-10 Hrs
Date : 07-05-2025

***Assamese Evening Bulletin***
***Headlines***

১। সেনাবাহিনীয়ে যোৱা নিশা পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটি থকা ৯ খন স্থানত আক্ৰমণ চলাই **অপাৰেচন সিন্দূৰ** আৰম্ভ কৰে।

২। সেনা বাহিনীয়ে সিন্দূৰ অভিযানৰ যোগেদি প্ৰদৰ্শন কৰা সাহসীকতাৰ ৰাজনৈতিক মতাদৰ্শ নিৰ্বিশেষে বিভিন্ন দলৰ নেতাই প্ৰশংসা কৰিছে।

৩। ভাৰতে সিন্দুৰ অভিযানৰ জৰিয়তে প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ অধিকাৰ প্ৰয়োগ কৰাৰ লগতে এই কাৰ্যসূচী অতি সুচিন্তিত আৰু পৰিকল্পিতভাৱে গ্ৰহণ কৰা হৈছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মত প্ৰকাশ কৰিছে।

৪। চত্তিশগড়ত নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত কমেও ২২ জন মাওবাদী নিহত হৈছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ক'লকতাৰ ইডেন গাৰ্ডেনছত কিছুসময়ৰ পাছত হ'বলগীয়া খেলত ক'লকাতা নাইট ৰাইডাৰ্ছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সেনাবাহিনীয়ে যোৱা মাজনিশা ১ বাজি ৫ মিনিটৰ পৰা ডেৰ বজাৰ ভিতৰত পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটি থকা ৯ খন স্থানত আক্ৰমণ চলাই **অপাৰেচন সিন্দূৰ** আৰম্ভ কৰে। পাকিস্তানৰ বাহাৱালপুৰৰ ছুভান আল্লা মাৰ্কাছ, টাইবা মুৰিদ্‌কে মাৰ্কাছ আৰু মেহমুনা জয়া আৰু শিয়ালকোটৰ সৰ্জল সন্ত্ৰাসবাদী শিবিৰত সেনা বাহিনীয়ে আক্ৰমণ চলায়। পাকিস্তান অধিকৃত জম্মু কাশ্মীৰৰ ছাৱাইনালা, মুজফ্‌ফৰবাদৰ চৈয়দ না বিলাল, কোটলি গুলপুৰ, বিম্বাৰ আৰু কোটলি আববাছৰ সন্ত্ৰাসবাদী শিবিৰো ধ্বংস কৰা হয়। আজি দুপৰীয়া নতুন দিল্লীত এই অভিযানৰ সবিশেষ তথ্য প্ৰকাশ কৰি স্থলসেনা বাহিনীৰ কৰ্ণেল ছ'ফিয়া কুৰেচি আৰু বায়ুসেনা বাহিনীৰ উয়িং কমাণ্ডাৰ ভ্যূমিকা সিঙে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ ভুক্তভোগীসকলক ন্যায় দিয়াৰ বাবে অপাৰেচন সিন্দূৰ আৰম্ভ কৰা হয় বুলি প্ৰকাশ কৰে। এই আক্ৰমণত কোনো পাকিস্তানী সামৰিক ঘাটিক লক্ষ্য কৰি লোৱা হোৱা নাই বুলি তেওঁলোকে প্ৰকাশ কৰে।

দুয়োগৰাকী বিষয়াই কয়, যে ভৱিষ্যতে পাকিস্তানে চলাব পৰা যিকোনো অভিযানৰ প্ৰত্যুত্তৰ দিবলৈ সেনা বাহিনী সাজু হৈ আছে। বিশ্বাসযোগ্য তথ্য তথা সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত হৈ থকাৰ ওপৰত ভিত্তি কৰি সন্ত্ৰাসবাদী শিবিৰসমূহ চিনাক্ত কৰা হৈছে। সংবাদ মেলত উপস্থিত থকা বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে কয় যে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ অনুসন্ধানৰ জৰিয়তে সন্ত্ৰাসবাদীৰ সৈতে পাকিস্তানৰ সম্পৰ্কৰ

বিভিন্ন দিশ উন্মুক্ত হৈ উঠিছে। দেশৰ অনুসন্ধানকাৰী সংস্থাসমূহৰ পৰ্যবেক্ষণৰ জৰিয়তে প্ৰকাশিত তথ্যই দেশত ভৱিষ্যতে পুনৰ সন্ত্ৰাসবাদী আক্ৰমণৰ সম্ভাৱনা প্ৰকট কৰিছে। শ্ৰী মিশ্ৰীয়ে কয়, যে জম্মু-কাশ্মীৰৰ পৰ্যটন খণ্ডত ঋণাত্মক প্ৰভাৱ পেলোৱা তথা অঞ্চলটোকে ধৰি সমগ্ৰ দেশত সাম্প্ৰদায়িক অস্থিৰতা সৃষ্টি কৰাৰ উদ্দেশ্যে পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণ চলোৱা হৈছিল। ৰেজিষ্টেঞ্চ ফ্ৰণ্ট নামৰ এটা সন্ত্ৰাসবাদী গোটে পেহেলগাম আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা বুলি উল্লেখ কৰি শ্ৰী মিশ্ৰীয়ে কয়, যে লস্কৰ-ই-তৈবাৰ সৈতে এই গোটৰ সম্পৰ্ক আছে। তদুপৰি এই আক্ৰমণৰ সৈতে পাকিস্তান জড়িত থকাৰ প্ৰমাণো পোৱা গৈছে। পেহেলগাম আক্ৰমণৰ অন্তৰালৰ ষড়যন্ত্ৰকাৰীসকলৰ বিচাৰ কৰাটো আৰশ্যকীয় বুলি তেওঁ প্ৰকাশ কৰে।

00000

ৰাজনৈতিক মতাদৰ্শ নিৰ্বিশেষে বিভিন্ন দলৰ নেতাই সেনা বাহিনীয়ে সিন্দূৰ অভিযানৰ যোগেদি প্ৰদৰ্শন কৰা সাহসীকতাৰ প্ৰশংসা কৰিছে। তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগানে এই অভিযানৰ জৰিয়তে ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে তেওঁলোকৰ নিৰ্ণায়ক কাৰ্যপন্থা গ্ৰহণ কৰিছে বুলি মন্তব্য কৰে। এটা বাৰ্তাত ড০ মুৰুগানে কয় যে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত সেনা বাহিনীয়ে পেহেলগামত ভাৰতৰ গণতান্ত্ৰিক ভাৱধাৰাক বিনষ্ট কৰাৰ লক্ষ্যৰে সন্ত্ৰাসবাদীয়ে চলোৱা পাশবিক আক্ৰমণৰ যোগ্য প্ৰত্যুত্তৰ দিছে। অপাৰেশ্বন সেন্দুৰে এই আক্ৰমণত প্ৰাণ হেৰুওৱা নিৰীহ লোক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গই ন্যায় লাভ কৰিব বুলি তেওঁ লগতে উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে এই লোকসকলৰ ত্যাগৰ কথা কেতিয়াও পাহৰা নাযায় আৰু তেওঁলোকৰ স্মৃতিয়ে ভাৰতক সদায় সন্ত্ৰাসবাদৰ সমস্যা সমাধানৰ দিশত কাম কৰাৰ বাবে উৎসাহিত কৰি যাব।

মহাৰাষ্ট্ৰৰ সকলো ৰাজনৈতিক দলে সেন্দুৰ অভিযানক আদৰণি জনোৱাৰ লগতে এই বিমান আক্ৰমণ অতি নিৰ্ভুল আৰু সঠিক সিদ্ধান্ত বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰী আৰু সশস্ত্ৰ বাহিনীসমূহক অভিনন্দন জনায়। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ নেতা দেবেন্দ্ৰ ফাড়নবীজে কয় যে ভাৰতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে চলোৱা যুজৰ ক্ষেত্ৰত নিজৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰদৰ্শন কৰিছে। উপ মুখ্যমন্ত্ৰী একনাথ সিন্দে কয় যে অপাৰেছন সেন্দুৰে কেৱল পাকিস্তানক এটা কঠোৰ বাৰ্তা দিয়াই নহয় ইয়াৰ জৰিয়তে এই বৰ্বৰ আক্ৰমণত মৃত্যু হোৱা ২৬ গৰাকী নিৰ্দোষী নাগৰিকৰ পৰিয়ালবৰ্গকো ন্যায় প্ৰদান কৰিব। এন চি পিৰ মুৰববী শাৰদ পাৱাৰে কয় যে ভাৰতীয় সশস্ত্ৰ বাহিনীসমূহে সন্ত্ৰাসবাদীৰ ৯ টা ঘাটিত সঠিক আৰু পৰিকল্পিতভাৱে চলোৱা আক্ৰমণ আৰু এই আক্ৰমণত কোনো পাকিস্তানী নাগৰিক বা পাকিস্তানী সেনা বাহিনীৰ কোনো ক্ষতি নকৰাকৈ পেহেলগামৰ আক্ৰমণৰ প্ৰতিশোধ লয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ সৈতে হোৱা কথা বতৰাত দেশৰ এই কঠিন সময়ত তেওঁৰ দলৰ সমৰ্থন সদায় চৰকাৰৰ সৈতে আছে বুলি প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শিৱসেনাৰ নেতা আদিত্য থাকৰে কয়, যে যিকোনো ধৰণৰ সন্ত্ৰাসবাদকে সমুলি নাশ কৰিব লাগে।

00000

ভাৰতে সিন্দুৰ অভিযানৰ জৰিয়তে প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ অধিকাৰ প্ৰয়োগ কৰে আৰু এই কাৰ্যসূচী অতি সুচিন্তিত আৰু পৰিকল্পিতভাৱে গ্ৰহণ কৰা হৈছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মত প্ৰকাশ কৰিছে। শ্ৰীসিঙে আজি নতুন দিল্লীত সীমান্ত পথ সংস্থাৰ ৬৬ সংখ্যক প্ৰতিষ্ঠা দিৱসত ভাষণ দি এইদৰে কয়। মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে সিন্দুৰ অভিযানৰ জৰিয়তে দেখুওৱা তেওঁলোকৰ সাহস আৰু বীৰত্বৰ জৰিয়তে ইতিহাস

ৰচনা কৰিলে। তেওঁ কয় যে সশস্ত্ৰ বাহিনী কেওটাই অভিযানৰ সময়ছোৱাত স্পষ্টতা, সতৰ্কতা আৰু সংবেদনশীলভাৱে কাম কৰি যায় আৰু প্ৰণালীবদ্ধ কৌশলেৰে স্থিৰ কৰাৰ লক্ষ্যত আক্ৰমণ কৰিবলৈ সমৰ্থ হয়।

অভিযানৰ সময়ছোৱাত কোনো অসামৰিক লোক যাতে প্ৰভাৱিত নহয় তাক নিশ্চিত কৰাৰ ক্ষেত্ৰত সশস্ত্ৰ বাহিনীসমূহে যথেষ্ট সংবেদনশীলতা প্ৰদৰ্শন কৰে বুলিও মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে। তেওঁ সন্ত্ৰাসবাদীক নিৰ্মূল কৰা আৰু তেওঁলোকৰ অসাধু কাৰ্যকলাপ প্ৰতিৰোধৰ লগতে কেৱল সন্ত্ৰসবাদীৰ শিবিৰ আৰু আন্তঃগাথনিসমূহ ধ্বংস কৰাৰ দিশতহে সিন্দুৰ অভিযানে বিশেষকৈ গুৰুত্ব আৰোপ কৰা বুলিও জানিবলৈ দিয়ে। নতুন দিল্লীত আজি সীমান্ত পথ সংস্থাই ছখন ৰাজ্য আৰু দুখন কেন্দ্ৰীয় শাসিত অঞ্চলত ৫০ টা বিভিন্ন আন্তঃগাথনিমূলক প্ৰকল্প উদ্বোধন কৰে। উল্লেখযোগ্য যে অৰুণাচল প্ৰদেশ, মিজোৰাম, চিকিম, পশ্চিমবংগ, ৰাজস্থান, জম্মু-কাশ্মীৰ, লাডাখকে ধৰি দুখন কেন্দ্ৰীয় শাসিত অঞ্চল আৰু ছখন ৰাজ্যত এহেজাৰ ৮৭৯ কোটি টকা ব্যয়েৰে এই প্ৰকল্পসমূহ উদ্বোধন কৰা হয়। ইয়াত ১৭ টা পথ, ৩০ খন দলং আৰু অন্যান্য ভালেমান কাম-কাজ সামৰি লোৱা হৈছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি সিন্দুৰ অভিযানৰ পাছত সীমান্তৱৰ্তী ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী, আৰক্ষী সঞ্চালক প্ৰধান আৰু মুখ্য সচিবসকলৰ সৈতে হোৱা এখন বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকত জম্মু -কাশ্মীৰ, পাঞ্জাব, ৰাজস্থান, গুজৰাট, উত্তৰাখণ্ড, উত্তৰ প্ৰদেশ, বিহাৰ, চিকিম, পশ্চিমবংগৰ মুখ্যমন্ত্ৰী আৰু লাডাখ আৰু জম্মু কাশ্মীৰৰ উপ ৰাজ্যপালে অংশগ্ৰহণ কৰে।

ooooo

সিন্দুৰ অভিযানে প্ৰতিগৰাকী ভাৰতীয়কে সশস্ত্ৰ বাহিনীসমূহৰ প্ৰতি কৃতজ্ঞ কৰি তোলাৰ লগতে সকলোকে গৌৰৱান্বিত কৰিছে। ইপিনে, পাকিস্তানৰ পাঞ্জাৱ সীমান্তৱৰ্তী অঞ্চলত বাস কৰা লোকসকলে চুবুৰীয়া দেশখনৰ পৰা ৰাজ্যখনৰ শান্তি ভংগ কৰিব খোজাৰ দৰে পৰিস্থিতিৰ উদ্ভৱ হলেও ভাৰতীয় সেনা বাহিনীক সম্পূৰ্ণ সমৰ্থন আগবঢ়াই যাব বুলি আশ্বাস দিয়ে। উল্লে্খযোগ্য যে পাকিস্তানৰ সৈতে পাঞ্জাবৰ ৫৫৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমান্ত অঞ্চল আছে। অমৃতচৰ, ফাজিলকা, ফিৰোজপুৰ, তাৰ্ণতৰণ, গুৰদাসপুৰ, আৰু পাথানকোটৰ বাসিন্দাসকলে ১৯৬৫ আৰু ১৯৭১ চনৰ ভাৰত -পাকিস্তানৰ যুদ্ধ আৰু ১৯৯৯ চনৰ কাৰ্গিল যুদ্ধ প্ৰত্যক্ষ কৰিছিল আৰু তেওঁলোক ভাৰতীয় সশস্ত্ৰ বাহিনীৰ সপক্ষে ঠিয় দিয়াৰ বাবে সম্পূৰ্ণৰূপে সাজু আছে।

ooooo

পাকিস্তানী সেনাচকীসমূহে কালি ৰাতিৰে পৰা জম্মু-কাশ্মীৰৰ পুঞ্চ আৰু টাংধৰ এলেকাৰ অসামৰিক অঞ্চলসমূহলৈ লক্ষ্য কৰি গুলিবৰ্ষণ অব্যাহত ৰাখিছে। প্ৰতিৰক্ষা সূত্ৰসমূহে জনোৱা অনুসৰি এই আক্ৰমণত ১৫ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে আন ৪৩ গৰাকী আহত হৈছে।

ooooo

চত্তিশগড়ত নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত কমেও ২২ জন মাওবাদী নিহত হৈছে। আজি পুৱাৰ ভাগত বিজাপুৰ জিলাৰ কাৰগুট্টা পাহাৰত নিৰাপত্তাৰক্ষীয়ে মাওবাদীলৈ লক্ষ্য কৰি গুলিচালনা আৰম্ভ কৰিছিল। এই অভিযানত চি আৰ পি এফ, জিলা সংৰক্ষিত বাহিনী, বিশেষ টাস্ক ফোৰ্ছ, আৰক্ষীকে ধৰি আন একাংশ নিৰাপত্তাৰক্ষী জড়িত হৈ আছে। আৰক্ষী আৰু চি আৰ পি এফৰ জ্যেষ্ঠ বিষয়াসকলে অহৰহভাৱে এই অভিযান নিৰীক্ষণ কৰি

আছে।  এই পৰ্যন্ত সেই স্থানৰ পৰা ২২ জন নক্সালবাদীৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। বাতৰি যুগুতোৱাৰ পৰলৈকে বীজাপুৰৰ কাৰগুটা পাহাৰত ভাৰতীয় সেনাৰ অভিযান চলি আছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ক'লকতাৰ ইডেন গাৰ্ডেনছত কিছুসময়ৰ পাছত হ'বলগীয়া খেলত ক'লকাতা নাইট ৰাইডাৰ্ছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখনত  সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ